
# নটা প্ৰয়োজনীয় স্বাধীনতা

**খ্ৰীষ্টৰ কাৰণে দূৰ দূৰনিলৈকে আন্দোলন বিয়পি যোৱা দেখা পাবলৈ হ'লে খ্ৰীষ্টিয় সমাজখনে ধৰ্ম্মীয় পৰম্পৰাৰ পৰা এইবোৰ স্বাধীনতা উপভোগ কৰিব লাগিব।**

**আপুনি এই তথ্য যিসকলে তেওঁলোকৰ সমাজখনে আৰু গোটবোৰে ফল উৎপন্ন কৰা আৰু বৃদ্ধি হৈ যোৱা বিচাৰে সেইসকলক এই নটা স্বাধীনতা প্ৰদান কৰিবলৈ পথ-প্ৰদৰ্শক হিচাবে কৰ্ম্মশালত ব্যৱহাৰ কৰিব পাৰে।**

**আপোনালোকৰ মাজৰে কোনোবা এজনে এই নটা মত আগবঢ়াওঁতে আন কোনোবা এজনে মিঃ পৰম্পৰাৰ ভাওটো কৰিব পাৰে। মিঃ পৰম্পৰাই এটি বিশেষ ধৰণৰ টুপি পিন্ধিব পাৰে বা তেওঁৰ নামটো ডাঙৰ আখৰেৰে "মিঃ পৰম্পৰা" বুলি লিখি নামফলক এখন কঢ়িয়াব পাৰে ! মিঃ পৰম্পৰাৰ কামটো হব আপুনি আগবঢ়োৱা প্ৰত্যেক মতকেই আপত্তি কৰা। আপুনি তেতিয়া তেওঁৰ আপত্তিবোৰৰ উত্তৰ দিব, আনবিলাকে তেতিয়া শুনি থাকিব, বা আপুনি আনবিলাককো মিঃ পৰম্পৰাক উত্তৰ দিবলৈ কব পাৰে, সেয়ে ভাল হ'ব। আপুনি যেতিয়া মিঃ পৰম্পৰাক কৰ্ম্মশালাত পৰিচয় কৰি দিব তেতিয়া এনে ধৰণৰ কিছুমান কথা কবঃ "মিঃ পৰম্পৰা আপোনালোকৰ সমাজত নিশ্চয় যোগ দিয়ে। তেওঁ প্ৰায় সকলোতে থাকে ! আপোনালোকৰ কিছুমান কিজানি মিঃ পৰম্পৰা মাজৰ"**



১। **যেতিয়াই প্ৰভুৱে সন্তৰ কৰি তোলে তেতিয়াই যুৰ সমাজৰ কাৰণে নতুন খ্ৰীষ্টিয় সমাজ আৰম্ভ স্বাধীনতা কৰাৰ শিক্ষাবোৰ ঃ**

- এই স্বাধীনতা কাৰ্য্যত নিয়োগ কৰা বাইবেলৰ আদৰ্শ ব্যক্তি আছিল বাৰ্নবা আৰু ইপাফ্ৰা।
- বাইবেল সম্বন্ধীয় পাঁচনিবিলাকে চাৰিওফালে গৈছিল, নতুন খ্ৰীষ্টিয় সমাজ আৰম্ভ কৰিছিল আৰু বৃদ্ধি পাইছিল।
- এই পাঁচনিবিলাকে নতুন সমাজখনৰ প্ৰয়োজনীয় ঘৰৰ ব্যৱহাৰ আৰু দৰ্মহাৰ পৰা মুক্ত কৰি ৰাখিছিল।

**মিঃ পৰম্পৰাই এনেধৰণৰ যুক্তি-তৰ্ক কৰিছিল ঃ** "আমাৰ সমাজৰ নিয়ম অনুসৰি এটা সমাজে আৰু এটা নতুন সমাজ আৰম্ভ কৰিবলৈ হলে আমাৰ আঞ্চলিক মুখ্য কাৰ্য্যালয়লৈ অনুমতিৰ বাবে আবেদন কৰিব লাগিব, কিছুসংখ্যক সভ্য আৰু পৰিপক্কতাৰ বছৰ এটি শকত আয়-ব্যয়ৰ হিচাব থাকিব লাগিব।"

২। **মানুহে বনোৱা ধৰ্মীয় নিয়ম আৰু পৰম্পৰাৰ ওপৰত আৰু আগেয়ে খ্ৰীষ্টৰ আৰু তেওঁৰ পাঁচনিসকলৰ আদেশবোৰ মানি চলিবলৈ স্বাধীনতা ! শিক্ষাবোৰ ঃ**

- পাঁচনিৰকৰ্ম্ম ২ অধ্যায়ত পিতৰ আৰু তেওঁৰ আন পাঁচনিবিলাকে প্ৰথম নতুনৰ নিয়ম মণ্ডলীৰ সভ্যসকলক প্ৰথমৰ পৰাই খ্ৰীষ্টক মানি চলিবলৈ শিক্ষা দিছিল।
- যীচুৱে অনেক বিষয়ত আদেশ দিছিল, যিবোৰ পাঁচনিকৰ্ম্ম ২ অধ্যায়ত ৩,০০০ নতুন খ্ৰীষ্ট দীক্ষিতে পালন কৰা সাতটা প্ৰধান আজ্ঞাতে চমুকৈ উল্লেখ কৰিব পাৰোঁ। তেওঁলোকে মন পালটন কৰি আৰু পবিত্ৰ আত্মা পাইছিল, বাপ্তিস্মৰ দ্বাৰাই তেওঁলোকৰ বিশ্বাসক নিশ্চিত কৰিছিল, প্ৰভুৰ ভোজ পালন কৰিছিল, ইজনে যিজনক প্ৰেম কৰিছিল (তেওঁলোকৰ সহভাগিতবোৰত দেখা পোৱা), প্ৰাৰ্থনা কৰিছিল, দান দিছিল আৰু শিষ্য কৰিছিল।

**মিঃ পৰম্পৰাই এনেধৰনৰ কিবা কয়। "মই অনুমোদন কৰা নিয়ম-নীতিবিলাকক আমি আটায়ে মানি চলিব লাগে। সন্মতিয়ে একতা নিশ্চিত কৰে।"**

**৩। খ্ৰীষ্টত দীক্ষিত নোহোৱা অনুসন্ধানকাৰী আৰু নতুন বিশ্বাসীবিলাকৰ ঘৰলৈ প্ৰচাৰ কৰিবলৈ, শিষ্য কৰিবলৈ আৰু নিজ সংস্কৃতি আৰু পৰিয়ালৰ লগত সেৱা কৰিবলৈ স্বাধীনতা। শিক্ষাবোৰ ঃ**

- তেওঁ যেতিয়া সোতৰজনক পঠিয়াইছিল তাৰ ভিতৰত বাইবেলৰ আদৰ্শ ব্যক্তিকেইজন আছিল, পিতৰ, কৰ্ণলিয়া আৰু যীচু।
- কোনোবাই বিশ্বাস কৰা মাত্ৰকে তেলঁলোকৰ পৰিয়ালবিলাকৰ আৰু বন্ধুবিলাকৰ তালৈ গৈছিল যেনেকৈ লেবী, কৰ্ণেলিয়াদ, লুৰীয়া, ফিলিপী শালৰ দাৰোগা বন্দী আৰু ক্ৰিচপাচৰ তালৈ গৈছিল।
- নতুন বিশ্বাসীবিলাকক তেওঁলোকৰ জ্ঞাতি-কুটুমবিলাকৰ লগত তেওঁলোকে প্ৰেমৰ সম্বন্ধ আৰু যিমান পাৰে সিমান সামাজিক সম্বন্ধ ৰাখিছিল।

**মিঃ পৰম্পৰাই এনেধৰণে কয় ঃ** "নতুন বিশ্বাসীবিলাকক বন্ধু, পৰিয়াল আৰু সংস্কৃতিৰ বেয়া প্ৰভাৱৰ পৰা বেগেতে পৃথকে ৰাখা।"

**৪। নতুন বিশ্বাসীবিলাকক কোনো পলম নকৰাকৈ বাপ্তিস্ম দিয়া, আৰু যতেই তেওঁলোকে লগ হয় তাতেই প্ৰভুৰ ভোজ পালন কৰাৰ স্বাধীনতা। শিক্ষাবোৰ ঃ**

- পাঁচনিৰকৰ্ম্ম ২ঃ৩৮-৪৭ পদত থকা বাইবেলৰ আদৰ্শ ব্যক্তিকেইজনৰ ভিতৰত খ্ৰীষ্ট আৰু যিৰূচালেম মণ্ডলী আছে।

**মিঃ পৰম্পৰাই এনেধৰণে কয় ঃ** "বাপ্তিস্ম আৰু ভোজ কেৱল নিয়োজিত পুৰোহিতসকলৰ দ্বাৰাইহে সম্পাদন কৰিব পাৰি। খ্ৰীষ্ট ধৰ্ম্মত দীক্ষা লবলগা পাৰ্থীসকলে প্ৰথমতে পানীত খোজ কাঢ়িব লাগে।"

**৫। পবিত্ৰ আত্মাই তেওঁলোকক দান কৰা সকলোবোৰ বৰ ব্যৱহাৰ কৰি খ্ৰীষ্টৰ শৰীৰত আপোন, প্ৰেমময় মণ্ডলী আৰু গোটবোৰে ইজন-সিজনৰ পৰিচৰ্য্যা কৰাৰ স্বাধীনতা। শিক্ষাবোৰ - (১ কৰি ঃ ১৪ঃ২৪-২৬)**

- বাইবেলৰ আদৰ্শ ব্যক্তিবিলাকৰ ভিতৰত কৰিন্থীৰ লোকবিলাক আছে।
- পবিত্ৰ আত্মাই নতুন বিশ্বাসীবিলাকক কিছুমান বিশেষ আত্মিক বৰ দান কৰে যাতে তেওঁলোক ইজনে-সিজনৰ সেৱা কৰিব পাৰে।
- কোনো খ্ৰীষ্টিয়ান ধৰ্ম্মযাজক বা মণ্ডলী গঠন কৰিব পৰিচাৰকৰ পৰা প্ৰয়োজনীয় আত্মিক বৰবোৰ নাই।

**মিঃ পৰম্পৰাই এনেধৰণে কয় ঃ** "সকলো কাম ভদ্ৰতা আৰু শৃঙ্খলাবদ্ধতা বজাই কৰা। আৰু যি শৃঙ্খলাৰ কথা মই কৈছো সেয়ে হৈছে - কেৱল শিক্ষিত যাজকেহে ৰাজহুৱা সভাবোৰ পৰিচালনা কৰা উচিত।"

**৬। যিসকল বৃদ্ধই দৰমহা পাই বা নোপোৱাকৈ নতুন নিয়মৰ অৰ্হতাবিলাক পূৰ কৰে তেওঁলোকক পালকৰ নেতৃত্ব দিয়াৰ স্বাধীনতা। শিক্ষাবোৰ -**

- বাইবেলৰ আদৰ্শ ব্যক্তি পৌল আৰু তীত
- কিছুমান বাইবেলত নথকা সম্বন্ধীয় অৰ্হতা হৈছে ধৰ্ম্মতত্ত্ব সম্বন্ধীয় শিক্ষা, আৰ্থিক সামৰ্থ, সামাজিক স্থান, জাতীয়তাবাদ আৰু ভাষা। আপোনাৰ পৰম্পৰা অনুসৰি কোনবিলাক বাইবেলত নথকা সম্বন্ধীয় অৰ্হতা?

**মিঃ পৰম্পৰাই এনেধৰণে কয় ঃ** "আমাৰ মণ্ডলীৰ উপধাৰাৰ মতে পালকবিলাকক নিয়োজিত কৰিব লাগে। আমাৰ ৭৫০ টা উপধাৰা আছে যিবিলাক তেওঁবিলাকে প্ৰথমতে পূৰণ কৰিব লাগিব। তেওঁলোকৰ বিশেষ শিক্ষাগত উপাধি থাকিব লাগিব আৰু ব্যৱসায়িক দৰ্মহা তেওঁলোকে পাব লাগিব।

**৭। প্ৰত্যেক দলৰ পৰিমাণ আৰু চলাওঁতাৰ পৰিপক্কতা অনুযায়ী নতুন নিয়মত থকা ঈশ্বৰৰ বাক্য শিকোৱা আৰু প্ৰচাৰ কৰাৰ যিকোনো পদ্ধতি ব্যৱহাৰ কৰাৰ স্বাধীনতা। শিক্ষাবোৰ -**

- বাইবেল আদৰ্শত নতুন নিয়মৰ "ইজনে-সিজন আজ্ঞা কৰা," আৰু যীচুৰ কথোপকথনৰ ধৰণ অন্তৰ্ভুক্ত আছে।

**মিঃ পৰম্পৰাই এনেধৰণে কয় ঃ** “ঈশ্বৰে এই যুগৰ নিমিত্তে বাক্যৰ বক্তৃতামূলক প্ৰচাৰৰ দিহা কৰিছে।”

**৮। ৰখীয়াসকল প্ৰশিক্ষণ দিয়া সকললৈ নতুন মণ্ডলীৰ সমাজ আৰু চলাওঁতাৰ তৎক্ষনিক প্ৰয়োজনলৈ সঁহাৰি জনোৱাৰ স্বাধীনতা -**

- ইয়াৰ বাবে তালিকাৰে সৈতে নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ প্ৰয়োজন, য'ত নতুন চলাওঁতা আৰু উপদেশক সকলে প্ৰত্যেক নতুন মণ্ডলীৰ বৰ্ত্তমানৰ প্ৰয়োজন অনুসৰি পাঠবোৰ আৰু কামবোৰ বাচি লবলৈ সুবিধা আছে।
- খ্ৰীষ্টই বৰ্ত্তমান পৰিস্থিতি আৰু জৰুৰী প্ৰয়োজনৰ প্ৰতি সঁহাৰি জনাই শিকাইছিল। পৌলে ক্ৰীতৰ নতুন মণ্ডলীত যি অভাৱ আছিল সেই অনুসাৰে তীতক কাম কৰিবলৈ কৈছিল।
- নতুন মণ্ডলীবিলাকৰ সকলোৰে বেলেগ বেলেগ প্ৰয়োজন আছিল।

**মিঃ পৰম্পৰাই এনেধৰণে কয় ঃ** “মোৰ শিক্ষাপ্ৰণালীৰ এটা নিৰ্দ্ধাৰিত পাঠ্যক্ৰম আছে আৰু প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে একে ঠাইৰ পৰা আৰম্ভ কৰে আৰু একেই পথ অনুসৰণ কৰি একেখিনি বিষয়কে পঢ়ে। তেওঁলোকে সেইবিলাক ভৱিষ্যত প্ৰয়োগৰ বাবে পঢ়ে।”

**৯। পৌলে তীতক শিকোৱাৰ দৰে, নতুন মণ্ডলী আৰু ৰখীয়াবিলাকৰ প্ৰশিক্ষকসকলৰ তদাৰক কৰা আঞ্চলিক সমপদস্থ ব্যক্তিলৈ স্বাধীনতা। (তীত ১ঃ৫) শিক্ষা -**

- বাইবেলত কোনো স্বাধীন স্থানীয় মণ্ডলী থকাৰ বাইবেল সম্বন্ধীয় উদাহৰণ নাই।
- নতুন মণ্ডলী অকৃতকাৰ্য্য হোৱাৰ সঘনাই হোৱা কাৰণ হৈছে যে তেওঁলোকৰ চলাওঁতাসকলে অভিজ্ঞ পালকৰ পৰা কেতিয়াও সতৰ্কতা বা পৰামৰ্শ বিচৰা নাই বা পোৱা নাই।

**মিঃ পৰম্পৰাই এনেধৰণে কয় ঃ** “আমি কোনোধৰণৰ ঈশ্বৰবিহীন পূৰোহিতবৰ্গ বা পূৰোহিত মণ্ডলীবিলাকত কি বিশ্বাস কৰিব বা কি কৰিব লাগে সেই বিষয়ে শ্ৰুতলিপি দিয়াতো নিবিচাৰো। আমাৰ স্থানীয় মণ্ডলীৰ স্বায়ত্ব-শাসনৰ ওপৰত অধিকাৰ আছে।” অথবা এই অঞ্চলৰ তদাৰক হিচাবে মইয়ে পুৰোহিত আৰু মোৰ অঞ্চলৰ ভিতৰত কোনো নতুন সমপদস্থ ব্যক্তিয়ে ক্ষমতা প্ৰয়োগ কৰাতোঁ নিবিচাৰো। নতুন প্ৰগ্ৰাম সমপদস্থ কৰিবলৈকো মোৰ সময় নাই, গতিকে আমি যিধৰণে কৰি আছোঁ, সেইধৰণেই কৰি থাকিম”।

Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net